**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থী সকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস চলাইছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত এখন নিৰ্বাচনী সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি পলাশবাৰীত বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ হৈ প্ৰচাৰ চলায়।

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ অহা এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেছিয়ে আজি বৰপেটাৰ পাকাবেতবাৰী সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উজনি অসমৰ কেইবাঠাইতো প্ৰচাৰ চলাইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাহৰকটীয়াত বিজেপি প্ৰাৰ্থী তৰংগ গগৈৰ হৈ প্ৰচাৰ চলায় এইদৰে কয়-

(বাইট ঃ সৰ্বানন্দ)

গোৰেশ্বৰৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসৰ সমৰ্থনত আজি দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰচাৰ সভাত অংশ লয়।

বিটিচিৰ মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি দলীয় প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, সিউলী মহিলাৰী আৰু ৰূপম ৰয়ৰ সমৰ্থনত দতমা, কোকৰাঝাৰ আৰু বাওখুংগ্ৰী সমষ্টিত প্ৰচাৰ অভিযানত ভাগ লয়।

কাছাৰত আজি তৃণমূল কংগ্ৰেছৰ উধাৰবন্দ আৰু সোণাৰী সমষ্টিৰ প্ৰাৰ্থী তপন দাস আৰু ছাহজাহান লস্কৰৰ সমৰ্থনত পশ্চিমবংগৰ যাদৱপুৰৰ সাংসদ ছাইনী ঘোষে প্ৰচাৰ চলায়।

০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী জিলাসমূহত অহা ৭ এপ্ৰিলৰ বিয়লি পাঁচ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি পাঁচ বজালৈ ড্ৰাই ডে ঘোষণা কৰা হৈছে। অহা ৪ মে'ত ভোটগণনাৰ দিনটোতো ভোটগণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা কৰা হৈছে।

মৰিগাঁও, নলবাৰী আৰু কামৰূপ মহানগৰ জিলাতো আজি জিলা আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি অহা ৭ এপ্ৰিল বিয়লি পাঁচ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি পাঁচ বজালৈ ড্ৰাই ডে ঘোষণা কৰা লগতে অহা ৪ মে'ত ভোট গণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত দিনটোত ড্ৰাই ডে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত জিলাকেইখনৰ সকলো পাইকাৰী আৰু খুচুৰা সুৰাৰ বিপণী বন্ধ থাকিব। লগতে সুৰা বিক্ৰীৰ অনুজ্ঞাপ্ৰাপ্ত ক্লাব, হোটেল আদিতো সুৰাৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে।

এই নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০

সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মাজুলী জিলাৰ জিলা আয়ুক্ত সৃষ্টি সিংহ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনীয়ে আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত জিলা আয়ুক্তই বিশেষকৈ নিৰ্বাচনৰ সময়ত নিয়োজিত হ'বলগীয়া জোৱানসকলৰ থকা-মেলা আৰু খোৱা-বোৱাৰ সুব্যৱস্থাৰ লগতে তেওঁলোকৰ স্বাস্থ্যসেৱাৰ বাবে স্থাপন কৰা চিকিৎসা শিবিৰসমূহৰ বুজ লয়। ইয়াৰ উপৰিও নিৰ্বাচনৰ পূৰ্বৰ দিনটো আৰু নিৰ্বাচনৰ দিনা পালন কৰিবলগীয়া পৰিকল্পনাসমূহৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। দেশৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নিৰ্বাচন শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি সম্পন্ন কৰা হৈছে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনত গোৱালপাৰা জিলাৰ ৮০ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। জিলাখনৰ মুঠ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৮০ টা কেন্দ্ৰত নিয়োজিত মহিলা বিষয়া-কৰ্মচাৰীসকলক আজি অন্তিমটো প্ৰশিক্ষণ দিয়া হয়। গোৱালপাৰাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুঙে মহিলা ভোটগ্ৰহণকাৰী দলসমূহৰ প্ৰশিক্ষণত উপস্থিত থকাৰ লগতে তেওঁলোকৰ সতে মত বিনিময় কৰে। উল্লেখযোগ্য যে, এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত ৯৬ গৰাকীকৈ প্ৰিজাইডিং বিষয়া আৰু সমসংখ্যক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পোলিং বিষয়া নিযুক্ত কৰা হৈছে।

মহিলা ভোটগ্ৰহণকাৰী দলসমূহে ভোটগ্ৰহণ কেন্দ্ৰলৈ যোৱা, ভোটকেন্দ্ৰত নিশা কটোৱা, পানীৰ ব্যৱস্থা, অনাময় ব্যৱস্থা আদিত যাতে কোনো ধৰণৰ অসুবিধা নাপায় তাৰ বাবে জিলা আয়ুক্ত প্ৰদীপ টিমুঙে প্ৰশাসনৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰতিখন জিলাত ৮৫ বছৰ উৰ্ধৰ নাগৰিক আৰু দিব্যাংগ ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰাৰ অংশ হিচাপে আজি শ্ৰীভূমি জিলাতো এই ব্যৱস্থা আৰম্ভ কৰা হৈছে। জিলাখনৰ ৮৮৬ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাৰ ঘৰে ঘৰে গৈ ভোট কৰ্মীৰ দলে ভোটগ্ৰহণ কৰিছে। জিলাখনত কাইলৈ আৰু পৰহিলৈও এই প্ৰক্ৰিয়া অব্যাহত থাকিব। উল্লেখযোগ্য যে, শ্ৰীভূমি জিলাত ৮৫ বছৰৰ উৰ্ধৰ ৬০১ গৰাকী আৰু দিব্যাংগ ভোটাৰ ২৮৫ গৰাকী আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ